NSD NEWS BULLETIN
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-08-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। বাংলাদেশৰ অশান্ত পৰিস্থিতিৰ মাজতে ভাৰতে কূটনৈতিক মিছনৰ জৰিয়তে দেশখনত থকা ভাৰতীয় নাগৰিকসকলৰ সৈতে অহৰহ সম্পৰ্ক ৰক্ষা কৰি আহিছে।

২। বাংলাদেশৰ ৰাষ্ট্ৰপতি মহম্মদ চাহাবুদ্দিনে নবেল বঁটা প্ৰাপক মহম্মদ ইউনুছক অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী হিচাপে নিয়োগ কৰিছে।

৩। আৰ বি আয়ে বেংকসমূহক হ্ৰস্বকালীন শস্য ঋণ আৰু পশুপালন, দুগ্ধ উৎপাদন, মৎস্য পালন, মৌ পালনৰ দৰে আনুষঙ্গিক কাম-কাজৰ বাবে কম হাৰত হ্ৰস্বকালীন ঋণ প্ৰদান কৰিবলৈ কৈছে।

৪। ৱিনেশ ফোগতে আজি পেৰিছ অলিম্পিকৰ ৫০ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত ফাইনেলত অৱতীৰ্ণ হ'ব। *আৰু*

৫। ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি কলম্বোত অনুষ্ঠিত হ'ব।

০০০

বাংলাদেশৰ অশান্ত পৰিস্থিতিৰ মাজতে ভাৰতে কূটনৈতিক মিছনৰ জৰিয়তে দেশখনত থকা ভাৰতীয় নাগৰিকসকলৰ সৈতে অহৰহ সম্পৰ্ক ৰক্ষা কৰি আহিছে। বিদেশ মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে কালি সংসদৰ উভয় সদনত নিজাববীয়াকৈ বিবৃতি দি কয় যে সম্প্ৰতি ৯ হাজাৰ শিক্ষাৰ্থীসহ প্ৰায় ১৯ হাজাৰ ভাৰতীয় নাগৰিক বাংলাদেশত আছে। তেওঁ কয় যে, ঢাকাত থকা উচ্চ আয়োগৰ পৰামৰ্শমৰ্মে যোৱা মাহত ভালেসংখ্যক বিদ্যাৰ্থী ভাৰতলৈ উভতি আহিছে।

নতুন দিল্লী মহলে দেশখনৰ সংখ্যালঘুৰ স্থিতিৰ ওপৰত নজৰ ৰাখি আছে বুলি ড০ জয়শংকৰে লোকসভা আৰু ৰাজ্যসভাক অৱগত কৰে। তেওঁলোকৰ সুৰক্ষা আৰু কল্যাণ সুনিশ্চিত কৰাৰ বাবে বিভিন্ন গোট আৰু সংস্থাই উদ্যম গ্ৰহণ কৰাৰ বাতৰি পোৱা গৈছে। তেওঁ কয় যে, ভাৰতে এনে ধৰণৰ উদ্যমৰ প্ৰতি আদৰণি জনায় যদিও আইন শৃংখলা পৰিস্থিতি বাহাল নোহোৱালৈকে বিষয়টোক লৈ চিন্তিত হৈ থাকিব। ড০ জয়শংকৰে কয় যে, বৰ্তমানৰ পৰিস্থিতি  লৈ চাই সীমান্তত পহৰাৰত বাহিনীসমূহক সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। বিদেশমন্ত্ৰীগৰাকীয়ে কয় যে, বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই সুৰক্ষা সংস্থাসমূহৰ মুৰব্বীসকলৰ সৈতে হোৱা বৈঠকৰ পাছত প্ৰধানমন্ত্ৰীৰ পদ ত্যাগ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। শ্ৰীমতী হাছিনাই ভাৰতলৈ আহিবলৈ অনুমতি বিছাৰিছিল আৰু তেওঁ পৰহি বিয়লিহে নতুন দিল্লীত উপস্থিত হৈছে বুলি ড০ জয়শংকৰে প্ৰকাশ কৰে। তেওঁ কয় যে, নতুন দিল্লী মহলে যোৱা ২৪ ঘণ্টাত ঢাকাৰ কৰ্তৃপক্ষসমূহৰ সৈতে নিয়মীয়াভাৱে সম্পৰ্ক ৰক্ষা কৰি আছে। তেওঁ লগতে কয় যে, বাংলাদেশৰ স্থল সেনাধ্যক্ষ জেনেৰেল ৱাকাৰ উজ জমানে পৰহি ৰাষ্ট্ৰক সম্বোধন কৰে আৰু দায়িত্বভাৰ গ্ৰহণ তথা এখন অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন কৰাৰ কথা ঘোষণা কৰে।  বাংলাদেশত ভাৰতৰ কূটনৈতিক উপস্থিতি সন্দৰ্ভত ড০ জয়শংকৰে কয়

যে, ঢাকা উচ্চায়োগৰ উপৰি ছট্টগ্ৰাম, ৰাজশ্বাহি, খুল্লা আৰু ছিলেটত সহকাৰী উচ্চায়োগ আছে। তেওঁ কয় যে ভাৰতে বাংলাদেশ চৰকাৰে এই প্ৰতিষ্ঠানসমূহক আৱশ্যকীয় সুৰক্ষা প্ৰদান কৰিব আৰু পৰিস্থিতি সুস্থিৰ হোৱাৰ পাছত ইয়াৰ স্বাভাৱিক কাম-কাজ আৰম্ভ হব বুলি আশা কৰে। পাছত সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখা হয়।

০০০

বাংলাদেশৰ ৰাষ্ট্ৰপতি মহম্মদ চাহাবুদ্দিনে নবেল বঁটা প্ৰাপক মহম্মদ ইউনুছক অন্তৰৰ্তীকালীন চৰকাৰৰ মুৰব্বী হিচাপে নিয়োগ কৰিছে। ঢাকাৰ ৰাষ্ট্ৰপতি ভৱনত কালি সেনাবাহিনীৰ তিনিওটা শাখাৰ মুৰব্বী আৰু বৈষম্যবিৰোধী ছাত্ৰ আন্দোলনৰ ১৩জনীয়া প্ৰতিনিধিবৰ্গৰ সৈতে হোৱা ৰাষ্ট্ৰপতি চাহাবুদ্দিনৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাষ্ট্ৰপতিৰ প্ৰেছ সচিব মহম্মদ জয়নাল আবেদিনে যোৱা নিশা সংবাদ মাধ্যমৰ আগত কয় যে বিভিন্ন ৰাজনৈতিক দলৰ সৈতে আলাপ-আলোচনাৰ পাছত অন্তৰৰ্ত্তীকালীন চৰকাৰৰ আন সদস্যসকলৰ নাম চূড়ান্ত কৰা হ'ব। ৰাষ্ট্ৰপতিয়ে সংসদো ভংগ কৰি দিছে। প্ৰতিবাদৰ গুৰি ধৰা বৈষম্যবিৰোধী ছাত্ৰ আন্দোলনে পূৰ্বতে ৮৪ বছৰীয়া ইউনুছে অন্তৰ্ৱৰ্ত্তী চৰকাৰৰ মুৰব্বীৰ দায়িত্ব গ্ৰহণ কৰিবলৈ সন্মত হোৱা বুলি প্ৰকাশ কৰিছে। ইউনুছে গ্ৰামীণ বেংকৰ জৰিয়তে দৰিদ্ৰতাৰ বিৰুদ্ধে চলোৱা অভিযানৰ বাবে ২০০৬ চনত শান্তিৰ নবেল বঁটা লাভ কৰিছিল। বাংলাদেশত সোমবাৰে সেনাই দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত ভালেমান অংশত হিংসাত্মক ঘটনা সংঘটিত হয়। দেশখনত জুলাইৰ মাজভাগৰ পৰা অব্যাহত থকা অশান্ত পৰিস্থিতিৰ বাবে নিহত লোকৰ সংখ্যা ৪৪০লৈ বৃদ্ধি পাইছে। ইপিনে, বাংলাদেশ নেচনেলিষ্ট পাৰ্টিৰ মুৰব্বী তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী খালেদা জিয়াক গৃহবন্দিত্বৰ পৰা মুকলি কৰি দিয়া হৈছে। ৭৯ বছৰীয়া প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকী দীৰ্ঘদিন ধৰি বৃক্ক, যকৃত আৰু হৃদযন্ত্ৰৰ সমস্যাত ভুগি আছে।

০০০

ভাৰতীয় ৰিজাৰ্ভ বেংক, আৰ বি আয়ে কেন্দ্ৰীয় চৰকাৰৰ সংশোধিত সুদ সাহায্য যোজনা অব্যাহত ৰখাৰ সিদ্ধান্তলৈ চাই বেংকসমূহক হ্ৰস্বকালীন শস্য ঋণ আৰু পশুপালন, দুগ্ধ উৎপাদন, মৎস্য পালন, মৌ পালনৰ দৰে আনুষঙ্গিক কাম-কাজৰ বাবে কম হাৰত হ্ৰস্বকালীন ঋণ প্ৰদান কৰিবলৈ কৈছে। এই আঁচনিৰ অধীনত খেতিয়কসকলক ৭ শতাংশ সুদৰ হাৰত ৩ লাখ টকালৈ ঋণ প্ৰদান কৰা হ'ব। আৰ বি আয়ে এখন জাননীযোগে কৈছে যে ঋণ প্ৰদানকাৰী প্ৰতিষ্ঠানসমূহক ২০২৪-২৫ বৰ্ষৰ বাবে সুদৰ ক্ষেত্ৰত ডেৰ শতাংশ ৰেহাই প্ৰদান কৰা হ'ব। সময় মতে ঋণ পৰিশোধ কৰা খেতিয়কসকলক ৩ শতাংশৰ অতিৰিক্ত সকাহ প্ৰদান কৰা হ'ব বুলি আৰ বি আয়ে জানিবলৈ দিছে। ভাৰতীয় ৰিজাৰ্ভ বেংকে হ্ৰস্বকালীন ঋণ লাভ কৰাৰ বাবে আধাৰ নম্বৰৰ সৈতে নাম সংযোগ কৰাটো বাধ্যতামূলক হ'ব বুলি প্ৰকাশ কৰিছে। খেতিয়কসকলে যাতে বিপদৰ সময়ত কম দামতে উৎপাদিত সামগ্ৰী বিক্ৰী কৰিবলগীয়া নহয় তাৰ বাবে তেওঁলোকক গুদামত শস্য মজুত ৰাখিবলৈ উৎসাহিত কৰাৰ বাবে কিষাণ ক্ৰেডিট কাৰ্ড আঁচনিৰ অধীনত ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কসকলক শস্য চপোৱাৰ পাছত ছমাহলৈকে অতিৰিক্ত সময়ৰ বাবে সুদৰ ক্ষেত্ৰত ৰেহাই প্ৰদান কৰা হ'ব।

০০০

ভাৰতৰ মহিলা মল্লযুদ্ধৰ বাবে আজি এটা ঐতিহাসিক দিন। অলিম্পিকৰ ইতিহাসত ফাইনেলত প্ৰৱেশ কৰা দেশৰ প্ৰথমগৰাকী মহিলা মল্লযোদ্ধা ৱিনেশ ফোগতে আজি পেৰিছ অলিম্পিকৰ ৫০ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত ফাইনেলত অৱতীৰ্ণ হ'ব। ফোগত ফাইনেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ চাৰা

এন হিল্ডেব্ৰাণ্টৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৯ বাজি ৪৫ মিনিটত আৰম্ভ হ'ব। একেদৰে, মণিকা বাট্ৰা, শ্ৰীজা অকুলা আৰু অৰ্চনা কামাথক লৈ গঠিত টেবুল টেনিছ দলটোৰ ওপৰত সকলোৰে দৃষ্টি নিৱদ্ধ হৈ থাকিব। দলটোৱে দিনৰ ডেৰ বজাত কোৱাৰ্টাৰ ফাইনেলত উচ্চ বাছনিপ্ৰাপ্ত জাৰ্মানীৰ প্ৰতিদ্বন্দ্বীৰ সন্মুখীন হ'ব। ইপিনে, বেগাই খোজকঢ়াৰ ৰিলে শিতানত সুৰয পাৱাৰ আৰু প্ৰিয়ংকা চৌধৰীয়ে দিনৰ ১১ বজাত দেশক প্ৰতিনিধিত্ব আগবঢ়াব। আনহাতে, অদিতি অশোক আৰু দীক্ষা দুপৰীয়া চাৰে ১২ বজাত মহিলাৰ ব্যক্তিগত ষ্ট্ৰোক প্লেৰ প্ৰথম ৰাউণ্ডত অৱতীৰ্ণ হ'ব।

এথলেটিকছত জ্যোতি য়াৰাজী, সৰ্বেশ অনিল কুশাৰে আৰু আব্দুল্লা নাৰাংগোলীণ্টেৰিডাই ক্ৰমে হাৰ্ডেল, হাই জাম্প আৰু ত্ৰিপল জাম্পৰ প্ৰথম ৰাউণ্ডত খেলিব। অবিনাশ চাবলে পুৰুষৰ ৩ হাজাৰ মিটাৰ ত্ৰিপল ষ্টেজৰ ফাইনেলত পদক জয়ৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব। ইপিনে, টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক বিজেতা মিৰাবাঈ চানুই একেৰাহে দ্বিতীয় বাৰৰ বাবে পদক জয়ৰ প্ৰয়াস চলাব। চানু নিশা ১১ বজাত মহিলাৰ ভাৰোত্তোলনৰ ৪৯ কিলোগ্ৰাম ওজন শাখাত অৱতীৰ্ণ হ'ব।

০০০

চৰকাৰে চি এছ চেট্টীক ভাৰতীয় ষ্টেট বেংকৰ অধ্যক্ষ হিচাপে তিনি বছৰৰ বাবে নিযুক্তি দিছে। শ্ৰী চেট্টী বৰ্তমান বেংকটোৰ আটাইতকৈ জ্যেষ্ঠ প্ৰৱন্ধ নিৰ্দেশক হিচাপে কৰ্মৰত হৈ আছে। বৰ্তমানৰ অধ্যক্ষ দীনেশ কুমাৰ খেৰাৰ ঠাইত ২৮ আগষ্টত নতুন অধ্যক্ষ হিচাপে চি এছ চেট্টীয়ে দায়িত্ব গ্ৰহণ কৰিব।

০০০০

নতুন দিল্লীত আজি দশম ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদযাপন কৰা হ'ব। উপ ৰাষ্ট্ৰপতি জগদীপ ধনখৰে হস্ততাঁত খণ্ডলৈ আগবঢোৱা অৱদানৰ বাবে শিল্পীসকলক সন্ত কবীৰ বটাঁ আৰু ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা প্ৰদান কৰিব। উপৰাষ্ট্ৰপতিগৰাকীয়ে 'পৰম্পৰা-ভাৰতীয় হস্ততাঁত পৰম্পৰাৰ বহনক্ষমতা' শীৰ্ষক এখন গ্ৰন্থও উন্মোচন কৰিব। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং আৰু উদ্যোগ জগতৰ প্ৰতিনিধি, ডিজাইনাৰছ, ৰপ্তানীৰ সৈতে জৰিত লোকসকলৰ লগতে দেশৰ সহস্ৰাধিক বয়ন শিল্পীয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰিব। তাঁতশিল্প খণ্ডৰ গুৰুত্ব আৰু দেশৰ আৰ্থ সামাজিক উন্নয়নত খণ্ডটোৰ অৱদান সম্পৰ্কে সজাগতা সৃষ্টি কৰাই এই উদযাপনৰ উদ্দেশ্যে।

০০০

বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ে ভাৰতীয় নাগৰিকসকলক বিশেষ প্ৰয়োজন নাথাকিলে লিবিয়া ভ্ৰমণ নকৰিবলৈ পৰামৰ্শ প্ৰদান কৰিছে। ইয়াৰ পূৰ্বে ২০১৬চনৰ ২৩মেত মন্ত্ৰালয়ে ভাৰতীয় নাগৰিকসকলৰ লিবিয়া ভ্ৰমণত নিষেধাজ্ঞা আৰোপ কৰিছিল। লিবিয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয়সকলক এই আহ্বান জনোৱা হৈছে। লিবিয়াত থকা ভাৰতীয় নাগৰিকসকলক স্থলপথেৰে অন্য প্ৰান্তলৈ যাত্ৰা নকৰিবলৈ আৰু সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনোৱাৰ লগতে মন্ত্ৰালয়ে ট্ৰিপলীস্থিত ভাৰতীয় দূতাবাসৰ সৈতে যোগাযোগত থাকিবলৈও পৰামৰ্শ প্ৰদান কৰিছে।

০০০

ৰাষ্ট্ৰপতি ভৱনত থকা অমৃত উদ্যান এইমাহৰ ১৬ তাৰিখৰ পৰা অহা মাহৰ ১৫ তাৰিখলৈকে সাধাৰণ নাগৰিকৰ বাবে খোলা থাকিব। ৰাষ্ট্ৰপতি দ্ৰৌপদী মূৰ্মুৱে ১৪ আগষ্টত অমৃত উদ্যানৰ এইবাৰৰ গ্ৰীষ্মকালীন সংস্কৰণৰ মুকলি অনুষ্ঠানত আনুষ্ঠানিকভাৱে উপস্থিত কৰিব। প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে ২৯ আগষ্টত খেলুৱৈসকলৰ বাবে আৰু শিক্ষক দিৱস উপলক্ষে ৫ চেপ্তেম্বৰত শিক্ষকসকলৰ বাবে উদ্যানখন আৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। ৰাষ্ট্ৰপতি ভৱনৰ ৩৫ নম্বৰ প্ৰৱেশদ্বাৰেৰে জনসাধাৰণে উদ্যানত প্ৰৱেশ কৰিব পাৰিব। ৰাষ্ট্ৰপতি ভৱনৰ ৱেবচাইচত অনলাইন মাধ্যমেৰে বা ৩৫ নম্বৰ প্ৰৱেশদ্বাৰৰ বাহিৰত জনসাধাৰণে নিজে টিকট সংগ্ৰহ কৰিব পাৰিব।

০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত আজি অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। শ্ৰীলংকাই দ্বিতীয়খন এদিনীয়াত ৩২ ৰাণত জয়লাভ কৰি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। শৃংখলাৰ প্ৰথমখন খেল ড্ৰ হৈছিল। শ্ৰীলংকাই ২৭ বছৰ পাছত ভাৰতৰ বিৰুদ্ধে দ্বিপাক্ষিক শৃংখলাত অগ্ৰগতি লাভ কৰিছে আৰু শৃংখলা দখলৰ দিশে আগবাঢ়িছে। ভাৰতে আজিৰ খেলখনত জয়লাভ কৰি শ্ৰীলংকাৰ বিৰুদ্ধে অপৰাজিত হৈ থকাৰ ধাৰা অক্ষুণ্ণ ৰখাৰ চেষ্টা চলাব। ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে ১৯৯৭ চনৰ পাছৰে পৰা কোনো শৃংখলাত পৰাজিত হোৱা নাই।

০০০

সমাপ্ত